समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

নৱম শ্ৰেণীৰ বাবে

প্ৰথম ভাগ

অসমীয়া সাহিত্য চয়নিকা (নতুন)

(বাধ্যতামূলক)



এটা খড়্গ থকা গঁড় অসমৰ সম্পদ,
এই গঁড় বধ কৰাজন অসমৰ বৈৰী।


পাঠ–১১

যুঁজ

অংশ - ৪

ড° প্ৰণীতা শৰ্মা বৰদলৈ

৭। 'হাঁহিব নোৱাৰি, খেলিব নোৱাৰি, শুব নোৱাৰি-ইমানেই তীব্র সেই শূন্যতাৰ ভাৰ-দুখৰ দাহন'- কথাষাৰ কাৰ বিষয়ে আৰু কিয় কোৱা হৈছে বুজাই লিখা।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

৭। 'হাঁহিব নোৱাৰি, খেলিব নোৱাৰি, শুব নোৱাৰি-ইমানেই তীব্ৰ সেই শূন্যতাৰ ভাৰ-দুখৰ দাহন'- কথাষাৰ কাৰ বিষয়ে আৰু কিয় কোৱা হৈছে বুজাই লিখা।

উত্তৰঃ কথাষাৰ সিদ্ধাৰ্থৰ বিষয়ে কোৱা হৈছে। সিদ্ধাৰ্থৰ মাক-দেউতাকৰ মাজত প্ৰায়ে কাজিয়া হৈছিল। তেওঁলোক নিজৰ মাজত এনেদৰে সোমাই পৰিছিল যে সিদ্ধাৰ্থৰ মনত পৰা বিৰূপ প্ৰতিক্ৰিয়াৰ বিষয়ে সমূলি মন দিয়া নাছিল।

এদিন মাক-দেউতাকৰ মাজত বিচ্ছেদ হৈছিল । সিদ্ধার্থক কোনোৱে ইয়াৰ কাৰণ জনোৱা নাছিল আৰু সিদ্ধার্থও নিজে কাকো একো সোধা নাছিল । মাক বাপেকৰ কি হৈছে, সেই অমীমাংসিত প্রশ্ন, যি আছিল তাৰ চকুপানী বোৰতকৈও গধুৰ। সিদ্ধার্থ নামৰ সংবেদনশীল কিশোৰজনে নিঃসংগতা আৰু হতাশাত ভুগিছিল; চাৰিওফালে শূন্যতা দেখিছিল । য'ত হাঁহিব নোৱাৰি, খেলিব নোৱাৰি, শুব নোৱাৰি ইমানেই তীব্রতা এই শূন্যতাৰ ভাৰ, দুখৰ দাহন ।

৮। সিদ্ধার্থই কিহৰ তাড়নাত মাকৰ খাৰুযোৰ চুৰ কৰিছিল আৰু পাছত তাৰ কিয় অন্তর্দ্বন্দ হৈছিল বুজাই লিখা।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation


৮। সিদ্ধার্থই কিহৰ তাড়নাত মাকৰ খাৰুযোৰ চুৰ কৰিছিল আৰু পাছত তাৰ কিয় অন্তর্দ্বন্দ হৈছিল বুজাই লিখা।

উত্তৰঃ সিদ্ধার্থই ড্ৰাগছ আসক্ত হৈছিল। ড্ৰাগছ কিনিবলৈ পইচাৰ প্ৰয়োজন হোৱাত মাকৰ খাৰুযোৰ চুৰি কৰিছিল । সিদ্ধার্থই যেতিয়া মাকৰ খাৰুযোৰ পাণদোকানী জনৰ হাতত তুলি দিছিল, সেই সময়ত পুলিচে সিহঁতৰ ঘৰৰ কাম কৰা ছোৱালীজনীক বান্ধি নি লক্আপত ভৰাইছিল, সেইবাবে তাৰ অন্তর্দ্বন্দ হৈছিল ।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

৯। 'আচলতে মন গ'লেই সুখী হ'ব পাৰি জান।'-নিৰ্মলে কি প্ৰসংগত সিদ্ধাৰ্থক এনেদৰে কৈছিল বুজাই লিখা।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation


৯। 'আচলতে মন গ'লেই সুখী হ'ব পাৰি জান।'-নিৰ্মলে কি প্ৰসংগত সিদ্ধাৰ্থক এনেদৰে কৈছিল বুজাই লিখা।

উত্তৰঃ সিদ্ধাৰ্থই ড্ৰাগছৰ প্ৰতি কেনেদৰে আসক্ত হৈ পৰিছিল, সেই সকলোবোৰ কথা নিৰ্মলক ক'লে আৰু নিৰ্মলে সিদ্ধাৰ্থক ড্ৰাগছৰ কবলৰ পৰা মুক্ত কৰাৰ প্ৰসংগতে এনেদৰে কৈছিল । নিৰ্মলে সিদ্ধাৰ্থক বুজাইছিল যে- আচল কথা হৈছে মনটো, আচলতে জীৱনটোক ভাল পালে জীৱনটোৱে কেতিয়াও প্ৰবঞ্চনা নকৰে ।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

এই নদী, পাহাৰ, মূৰৰ ওপৰত আকাশ, জোনটো, তৰাবোৰ মন গ'লেই ভাল পাব পাৰি, আপোন কৰি ল'ব পাৰি , যিবোৰ ভালপোৱা নিঃস্ব নহয়, শূন্য নহয়। আচলতে মন সুস্থিৰ হ'লেই সুখী হ'ব পাৰি ।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

১০। ব্যাখ্যা কৰা —

(ক) নোপোৱা মৰম পোৱাৰ আশাই যেন তাক দুৰ্বল আৰু অভিমানী কৰে।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

১০। ব্যাখ্যা কৰা —


(ক) নোপোৱা মৰম পোৱাৰ আশাই যেন তাক দুৰ্বল আৰু অভিমানী কৰে।

উত্তৰঃ উক্তবাক্যশাৰী আমাৰ পাঠ্যপুথিৰ অন্তৰ্গত, ডঃ মৃণাল কলিতা ডাঙৰীয়াৰ দ্বাৰা প্ৰণীত, 'যুঁজ' নামৰ চুটিগল্পটিৰ পৰা উৎকলিত।

ইয়াত সিদ্ধাৰ্থই মাক – দেউতাকৰ কাজিয়াৰ বাবে কিদৰে নিঃসংগতাত ভুগিছিল সেই বিষয়ে ক'বলৈ যোৱাৰ প্ৰসংগত ব্যাখ্যেয় কথাষাৰ অৱতাৰণা কৰিছে।

পিতৃ-মাতৃৰ বিচ্ছেদৰ বাবেই অকলশৰীয়া হৈ পৰা সিদ্ধার্থই তাৰ মনৰ খবৰ লওঁতা অথবা তাৰ ভুলবোৰ আঙুলিয়াই দিওঁতা কোনো নোহোৱা হোৱাত, সিদ্ধার্থই আশ্রয় ল'লে ড্রাগছৰ । কিন্তু ড্রাগছ কিনিবলৈ পইচাৰ যোগাৰ কৰিবলৈ অসুবিধা হোৱাত মাকৰ সোণৰ খাৰু চুৰ কৰাৰ লগতে স্কুলৰ লগৰ ল'ৰাৰ বেগতো হাত দিলে । স্কুলত পইচা চোৰ বুলি ধৰা পৰাৰ পিছত বন্ধু নির্মলে তাক সৎ পথলৈ উভতি অনাৰ চেষ্টা কৰে আৰু সিদ্ধার্থক তাৰ কি হৈছে ক'বলৈ জোৰ কৰে ।

নিৰ্মলৰ আন্তৰিকতাপূৰ্ণ মৰমৰ দাবীত সিদ্ধাৰ্থৰ মনত পৰিৱৰ্তনৰ লহৰ উঠে । নোপোৱা মৰম পোৱাৰ আশাই যেন তাক দুৰ্বল আৰু অভিমানী কৰে। কাৰ ওপৰত এই অভিমান, সিদ্ধাৰ্থই যেন নিজেও বুজি নাপায়।




समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

১০। ব্যাখ্যা কৰা —

(খ) মানুহে দেখা ঘৃণনীয় সত্যৰ আঁৰতো হয়তো কেতিয়াবা লুকাই থাকে আন কিছুমান কৰুণ সত্য।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

১০। ব্যাখ্যা কৰা —

(খ) মানুহে দেখা ঘৃণনীয় সত্যৰ আঁৰতো হয়তো কেতিয়াবা লুকাই থাকে আন কিছুমান কৰুণ সত্য।

উত্তৰঃ উক্ত বাক্যশাৰী আমাৰ পাঠ্যপুথিৰ অন্তর্গত, ডঃ মৃণাল কলিতা ডাঙৰীয়াৰ দ্বাৰা প্ৰণীত, 'যুঁজ' নামৰ চুটিগল্পটিৰ পৰা উৎকলিত।

কেতিয়াবা দেখা পোৱা সত্য ঘটনাবোৰৰ আঁৰত কিছুমান কৰুণ কাহিনী লুকাই থকা দেখা পোৱাৰ প্ৰসংগতে লিখকে উক্ত কথাষাৰি অৱতাৰণা কৰিছে।

সিদ্ধাৰ্থ এজন সংবেদনশীল ল'ৰা । সিও লগৰ ল'ৰাৰ লগত হাঁহি – ধেমালি কৰি খেলিছিল । কিন্তু কেইমাহমানৰ ঘৰুৱা অশান্তিৰ বাবেই ড্ৰাগছ সেৱনত মত্ত হৈ, বেপৰোৱা হৈ পৰি অকলশৰে ভাল পোৱাৰ লগতে স্কুল খতি কৰিছিল আৰু শিক্ষকে কৰিবলৈ দিয়া গৃহ কৰ্মও প্ৰায়েই নকৰিছিল ।


এদিনাখন স্কুলত লগৰ ল'ৰাৰ বেগৰ পৰা পইচা চুৰ কৰি ধৰা পৰাত মাষ্টৰৰ মুখে মুখে কথা কৈ এসপ্তাহমানলৈ স্কুললৈও নহা দেখি, নিৰ্মলে সহজে মানি ল'ব পৰা নাছিল। সিদ্ধাৰ্থৰ বন্ধু নিৰ্মলে বুজি উঠিছিল যে কেতিয়াবা মানুহে দেখা ঘৃণনীয় সত্যৰ আঁৰতো লুকাই থাকে আন কিছুমান কৰুণ সত্য আৰু সেইবোৰ সি বিচাৰি উলিয়াবলৈ চেষ্টা কৰিছিল।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

১০। ব্যাখ্যা কৰা —

(গ) পাবলগীয়া মৰমবোৰ হেৰুৱাই এখন ভাগি যোৱা সংসাৰৰ সি হৈ পৰিছিল এটা বিদ্রোহী অথচ কৰুণ চৰিত্র।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

১০। ব্যাখ্যা কৰা —

(গ) পাবলগীয়া মৰমবোৰ হেৰুৱাই এখন ভাগি যোৱা সংসাৰৰ সি হৈ পৰিছিল এটা বিদ্রোহী অথচ কৰুণ চৰিত্র।

উত্তৰঃ উক্ত বাক্যশাৰী আমাৰ পাঠ্যপুথিৰ অন্তর্গত, ডঃ মৃণাল কলিতা প্রণীত, 'যুঁজ' নামৰ চুটিগল্পটিৰ পৰা উৎকলিত।

সিদ্ধার্থৰ মাক – দেউতাকৰ মাজত কাজিয়া আৰু শেষত বিচ্ছেদ – এই সকলোবোৰৰ মাজত সিদ্ধার্থৰ কুমলীয়া মনটো ভাগি – চিণ্ডি থানবান হৈ যোৱাৰ কথা প্ৰকাশ কৰিবলৈ উক্ত বাক্যৰ অৱতাৰণা কৰিছিল।

মাক – দেউতাকৰ কাজিয়া ইমানেই তীব্ৰতৰ আছিল যে সিদ্ধার্থৰ চকুপানীবোৰ তেওঁলোকে দেখাই নাছিল; যাৰ ফলত মৰমৰ মাতৰ পৰা বঞ্চিত সিদ্ধার্থ হৈ পৰিল নিঃসংগ আৰু হতাশাগ্ৰস্ত।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

পাবলগীয়া মৰমবোৰ হেৰুৱাই এখন ভাঙি যোৱা সংসাৰৰ সি হৈ পৰিছিল এটা বিদ্রোহী অথচ কৰুণ চৰিত্র ।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

১০। ব্যাখ্যা কৰা —

(ঘ) সকলো মানুহৰেই জীৱনবোৰ একো একোখন যুঁজ।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

১০। ব্যাখ্যা কৰা —

(ঘ) সকলো মানুহৰেই জীৱনবোৰ একো একোখন যুঁজ।

উত্তৰঃ উক্ত বাক্যশাৰী আমাৰ পাঠ্যপুথিৰ অন্তর্গত, ডঃ মৃণাল কলিতা প্রণীত, 'যুঁজ' নামৰ চুটিগল্পটিৰ পৰা উৎকলিত।

লিখকে ক'ব বিছাৰিছে যে – জীৱনবোৰ একো একোখন যুঁজ য'ত যুঁজখনতেই হয়তো জীৱনৰ আমেজ।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

নিয়মৰ মাজেৰেই জীৱনৰ যুঁজখন যুঁজি যাব লাগিব। নিয়মৰ বাহিৰ হৈ খেলিলে নিজেই বজাব লাগিব ৰেফাৰীৰ হুইছেলটোও। প্ৰত্যেক মানুহৰে সমস্যাবোৰক লিখকে 'যুঁজ' বুলি কৈছে, সি শাৰীৰিক কিম্বা মানসিক হওঁক আৰু প্ৰত্যেকেই নিজৰ নিজৰ জীৱনত একো একোজন যুঁজাৰু।

১১। 'ঘুঁজ' গল্পটোৰ শিৰোনামৰ তাৎপর্য বুজাই লিখা।



সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

১১। 'ঘুঁজ' গল্পটোৰ শিৰোনামৰ তাৎপর্য বুজাই লিখা।

উত্তৰঃ ডঃ মৃণাল কলিতা ৰচিত, 'ঘুঁজ' হৈছে এটা চুটিগল্প । গল্পটোত লিখকে দুজন কিশোৰৰ মনোজগতৰ সুন্দৰভাৱে বর্ণনা দিছে । তেওঁ গল্পটোত সিদ্ধার্থ নামৰ ল'ৰাজনে নিঃসংগতাত ভুগি কেনেদৰে ড্রাগছ আসক্ত হৈ পৰিছে আৰু নির্মল নামৰ ল'ৰাজনে দুৰাৰোগ্য ৰোগত ভুগিছে ।

समग्र शिक्षा
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

নিচাসক্তি এখন যুঁজৰ দৰে। নিচাসক্ত কিশোৰ সিদ্ধাৰ্থক তাৰ বন্ধু নিৰ্মলৰ মৰম আৰু দায়িত্ববোধে পোহৰৰ বাট দেখুৱাইছে । আনহাতে গল্পটোত নিৰ্মলে যুঁজিছে নিজৰ জটিল ৰোগৰ বিৰুদ্ধে। হৰা-জিকা পাছৰ কথা; কিন্তু যুঁজ কৰি যাবই লাগিব- সহজ-সৰল কথনভংগীৰে গল্পকাৰে আমাক এই বাৰ্তা দিছে। 'খুঁজ' গল্পটোত নিচাসক্তজনৰ প্ৰতি থাকিবলগীয়া সামাজিক গুৰুত্বৰ প্ৰসংগও উত্থাপিত হৈছে । গতিকে 'যুঁজ' গল্পটোৰ শিৰোনাম তাৎপৰ্যপূৰ্ণ।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

ভাষা-বিষয়ক :

১২। ব্যাসবাক্যসহ সমাসৰ নাম লিখা—

মৃত্যুশীতল;
অসহনীয়;
অতল;
অমীমাংসিত;
বেপৰোৱা
অচিনাকি।

সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ

অনাতাৰ- ন তাঁৰে

মৃত্যুশীতল : মৃত্যুৰ দৰে শীতল যি (কর্মধাৰয় সমাস)

অসহনীয় : ন সহনীয় (নঞ তৎপুৰুষ সমাস)

অতল : ন তল (নঞ তৎপুৰুষ সমাস)

অমীমাংসিত : ন মীমাংসিত (নঞ তৎপুৰুষ সমাস)

বেপৰোৱা : পৰোৱাই নকৰে যি (কর্মধাৰয়)

অচিনাকি : ন চিনাকি (নঞ তৎপুৰুষ সমাস)

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

১৩। বাক্য ৰচনা কৰা —



উজাগৰ;

অবাধ্য;

অৱলম্বন;

খেৰকুটা।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ

উজাগৰঃ- পাঠৰ প্ৰশ্নসমূহ শেষ কৰিবলৈ তাই নিশাটো উজাগৰে কটালে ।

অবাধ্যঃ- শিক্ষকৰ অবাধ্য হোৱা অনুচিত ।

অৱলম্বনঃ- বানপানীত তেওঁলোকে শেষ আশ্রয়ৰ অৱলম্বনটিও হেৰুৱালে ।

খেৰকুটাঃ- পানীত পৰা মানুহে খেৰকুটাকেই সাৱটি ধৰে ।

समग्र शिक्षा
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

১৪। সমার্থক শব্দ লিখা —



সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ

নীৰৱতা – নিঃশব্দ

বিষাদ - শোক

প্রস্তৰ - শিলৰ

একাকীত্ব – অকলশৰীয়া

আন্ধাৰ – তিমিৰ

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

অতিৰিক্ত প্ৰশ্ন :

১৫। ডঃ মৃণাল কলিতাৰ 'যুঁজ' গল্পটোৰ দ্ৰাগছ আসক্ত মানুহৰ প্ৰতি কেনেধৰণৰ মানৱীয় সঁহাৰি দেখুওৱা হৈছে বুজাই লিখা।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

অতিৰিক্ত প্ৰশ্ন :

১৫। ডঃ মৃণাল কলিতাৰ 'যুঁজ' গল্পটোৰ ড্ৰাগছ আসক্ত মানুহৰ প্ৰতি কেনেধৰণৰ মানৱীয় সঁহাৰি দেখুওৱা হৈছে বুজাই লিখা।

উত্তৰঃ ডঃ মৃণাল কলিতাৰ "যুঁজ' গল্পটি এটা অতি উৎকৃষ্ট সামাজিক গল্প। অপৰাধ জগতত খোজ দিয়া লোক সকলক সাধাৰণতে মানুহে খং আৰু ঘৃণা কৰে। কিন্তু সেইখন জগতলৈ যোৱাৰ আঁৰত কিবা কাৰণ থাকিব পাৰে বুলি মানুহে ভাবি নাচায়।

গল্পটোত খুব কম বয়সতে ড্ৰাগছ আসক্ত হোৱা সিদ্ধাৰ্থৰ প্ৰতি সহপাঠী নিৰ্মলে যি মানবীয় সঁহাৰি দেখুৱাইছে, সেয়া সঁচাই প্ৰশংসনীয়। সহপাঠী হৈও এজন বয়োজ্যেষ্ঠ লোকৰ দৰে নিৰ্মলে উপলব্ধি কৰিব পাৰিছিল যে সিদ্ধাৰ্থৰ স্বভাৱৰ পৰিবৰ্তনৰ আঁৰত নিশ্চয় কিবা কাৰণ আছে। সেয়ে সি সিদ্ধাৰ্থৰ পৰা তাৰ মনৰ কথাখিনি জানিবলৈ চেষ্টা কৰিছিল। সি দৃঢ় প্ৰতিজ্ঞ হৈছিল যে সিদ্ধাৰ্থক যেনে তেনে শুদ্ধ পথলৈ আনিবই। নিৰ্মলে তাক মৰম মিহলি শাসনেৰে ড্ৰাগছৰ কু-প্ৰভাৱৰ কথা বুজাইছিল আৰু ড্ৰাগছ ত্যাগ কৰিবলৈ পৰামৰ্শ দিছিল।

ইচ্ছা কৰিলেই এজন ড্ৰাগছ আসক্ত লোকে ড্ৰাগছ এৰিব নোৱাৰে। সেয়ে সি সিদ্ধাৰ্থক ডাক্তৰৰ ওচৰলৈ নিয়াৰ কথা ভাবিছে।

নিৰ্মলৰ চৰিত্ৰটোৰ যোগেদি লেখকে বাৰ্তা প্ৰেৰণ কৰিছে যে ড্ৰাগছ আসক্ত লোকসকলক কেৱল ঘৃণাৰ দৃষ্টিৰে নাচাই, মানৱীয় সহানুভূতিৰে চাই, সেইসকলক শুদ্ধ পথলৈ আনিবৰ বাবে চেষ্টা কৰাটো সকলোৰে সামাজিক দায়িত্ব।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

১৬।নিচাসক্ত মানুহৰ প্ৰতি থকা মানৱীয় সঁহাৰি কেনেধৰণৰ হ'ব লাগে নিজৰ কথাৰে লিখা।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

১৬।নিচাসক্ত মানুহৰ প্ৰতি থকা মানৱীয় সঁহাৰি কেনেধৰণৰ হ'ব লাগে নিজৰ কথাৰে লিখা।

উত্তৰঃ মৰম আদৰেৰে নিচাসক্ত লোকক বুজনি দি সেই অন্ধকাৰ জগতৰ পৰা আঁতৰাই অনাটো সমাজৰ প্ৰত্যেক লোকৰে দায়িত্ব আৰু কৰ্তব্য হ'ব লাগে। প্ৰত্যেক মানুহেই নিজৰ লগত যুঁজিব পাৰে। নিচাসক্ত লোককো সেয়ে আত্মবিশ্বাস গভীৰ কৰিবলৈ বুজনি দিব লাগে।